প্ৰেছ বাৰ্তা নং ঃ ৯০/২০২২

## ‘কাৰবি লাম্মেত আমেই’ৰ ৩০ সংখ্যক অধিৱেশনত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

### নিজস্ব ভাষা-সংস্কৃতি কোনোকালে পৰিহাৰ নকৰি নিৰৱচ্ছিন্নভাৱে ইয়াৰ চৰ্চা অব্যাহত ৰাখিবলৈ কাৰ্বি জনগোষ্ঠীৰ প্ৰতি আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৪ মাৰ্চ ঃ** কাৰ্বি জনগোষ্ঠীৰ অন্যতম জাতীয় অনুষ্ঠান ‘কাৰবি লাম্মেত আমেই’ৰ ৩০ সংখ্যক অধিৱেশন উপলক্ষে আজি পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকাম’কামৰ ডংকাচাৰপ’ত অনুষ্ঠিত মুকলি সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজস্ব ভাষা-সংস্কৃতি কোনোকালে পৰিহাৰ নকৰি নিৰৱচ্ছিন্নভাৱে ইয়াৰ চৰ্চা অব্যাহত ৰাখি বিশ্ব মানচিত্ৰত আগুৱাই যাবলৈ কাৰ্বি জনগোষ্ঠীৰ প্ৰতি আহ্বান জনায়। কাৰ্বি ভাষা-সাহিত্যৰ বিকাশৰ দিশত ‘কাৰবি লাম্মেত আমেই’য়ে বাটকটীয়াৰ ভূমিকা গ্ৰহণ কৰি যাব লাগিব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়।

মুখ্যমন্ত্ৰী শৰ্মাই কয় যে সুপ্ৰাচীন প্ৰজ্ঞা আৰু বৰ্ণাঢ্য লোক-সংস্কৃতিৰে সমৃদ্ধ কাৰ্বিসকল অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি আৰু ভাষা-সাহিত্যৰ অমূল্য ৰত্ন। লোক-সাহিত্য চৰ্চাৰ চহকী পৰম্পৰাৰ অধিকাৰী কাৰ্বি জনগোষ্ঠীয়ে বৃহত্তৰ অসমীয়া জাতিৰ অগ্ৰগামী যাত্ৰাক নতুন গতি দিছে। এই চহকী জনগোষ্ঠীটোৰ ভাষা আৰু সাহিত্যই অসমীয়া জাতিক সমৃদ্ধ কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কাৰ্বি জনগোষ্ঠীৰ ভাষা-সাহিত্যৰ বিকাশৰ বাবে অসম চৰকাৰ বদ্ধপৰিকৰ।

ড° শৰ্মাই কয় যে কাৰ্বি জনগোষ্ঠীৰ চিন্তা-চেতনাক গভীৰভাৱে প্ৰভাৱিত কৰি অহা জাতীয় অনুষ্ঠান হৈছে ‘কাৰবি লাম্মেত আমেই’। বিগত দশকসমূহত কাৰ্বি জনগোষ্ঠীক অধিক গতিশীল আৰু প্ৰাণৱন্ত কৰাত ‘কাৰবি লাম্মেত আমেই’য়ে এক সাগৰসদৃশ ভূমিকা গ্ৰহণ কৰি আহিছে। এই চহকী জনগোষ্ঠীটোৰ ভাষা আৰু সাহিত্যৰ সুপৰিকল্পিত বিকাশ আৰু শ্ৰীবৃদ্ধিত বিগত পাঁচ দশকৰো অধিক কাল অহোপুৰুষাৰ্থ কৰি অহা ‘কাৰবি লাম্মেত আমেই’য়ে কাৰ্বি ভাষা আৰু সাহিত্যক স্বকীয় ৰূপত উজলি উঠাৰ বাবে এখন উপযুক্ত মঞ্চ তৈয়াৰ কৰিবলৈ সক্ষম হোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে এই জাতীয় অনুষ্ঠানটোৰ শলাগ লয়।

মাতৃভাষাৰ প্ৰতি থকা অম্লান প্ৰেমেই স্ব-গৰিমাৰে মহিমামণ্ডিত হৈ বিশ্ব মানচিত্ৰত এটা জাতিক সগৌৰৱে জীয়াই থাকিবলৈ সাহস আৰু প্ৰেৰণা দিয়ে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে মাতৃভাষাৰ শ্ৰীবৃদ্ধিৰ বাবে যিকোনো জাতি বা জনগোষ্ঠীটোৰ ভিতৰচ’ৰাত চিন্তন আৰু মন্থনৰ নিতান্তই প্ৰয়োজন। কেৱল গাইগুটীয়া প্ৰচেষ্টাৰে কোনো জাতিৰ ভাষা-সাহিত্যৰ বিকাশ সম্ভৱ কৰি তুলিব নোৱাৰি। ইয়াৰ বাবে প্ৰয়োজন সু-পৰিকল্পনা আৰু সংঘবদ্ধ প্ৰয়াসৰ। কাৰবি লাম্মেত আমেই গঠনৰ অন্তৰালতো এনে এক চিন্তন আৰু মন্থনে ক্ৰিয়া কৰিছিল বুলি মন্তব্য কৰি তেওঁ কয় যে কাৰ্বি ভাষা সাহিত্যৰ বিকাশৰ বাবে নিজস্ব কৰণীয়খিনি উপলব্ধি কৰি কাৰবি লাম্মেত আমেইৰ প্ৰতিষ্ঠাপকসকলে এই উমৈহতীয়া মঞ্চ গঠন কৰিছিল আৰু এই মঞ্চৰ জৰিয়তে কাৰ্বি লেখক-লেখিকাসকলক বিভিন্ন বিষয়ত সাহিত্য চৰ্চা কৰিবলৈ

আৰম্ভণিৰে পৰা উৎসাহ যোগাই আহিছে। কাৰ্বি ভাষা-সাহিত্যৰ উন্নতি সাধনত অগ্ৰণী ভূমিকা লোৱা সাহিত্যিক বংলং তেৰাঙ, কেহাই বে', লংকাম টেৰণে, ৰংবং তেৰাং, ছামছিং হাঞ্চে, বিদৰ ছিং ক্ৰ', ধনেশ্বৰ ইংতি আদি অৱদানৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে এই পুৰোধা সাহিত্যিকসকলৰ অনুপ্ৰেৰণাৰে আগুৱাই আজি বহু নবীন কাৰ্বি লেখক-লেখিকাই সাহিত্য ক্ষেত্ৰখনত সু-প্ৰতিষ্ঠা লাভ কৰিছে।

মুখ্যমন্ত্ৰী শৰ্মাই কয় যে কাৰ্বি লেখক-লেখিকাৰ সৃষ্টিশীল অৱদানে অসমীয়া সাহিত্যৰ ভঁৰাল অতিশয় চহকী কৰি তুলিছে। নিজৰ জনগোষ্ঠীটোৰ আশা আকাংক্ষা আৰু লক্ষ্য-উদ্দেশ্যৰ ক্ষতি নোহোৱাকৈ বৌদ্ধিক উৎকৰ্ষৰ জৰিয়তে সমন্বয়মুখী তথা সম্প্ৰীতিবোধৰ এক চানেকিও তেওঁলোকে ইয়াৰ জৰিয়তে দাঙি ধৰিছে। অসমীয়া ভাষাত জনগোষ্ঠীটোৰ মানুহখিনিৰ সংস্কৃতি তথা ভিন্ন ধ্যান-ধাৰণা প্ৰকাশ কৰি সংস্কৃতিৰ আদান-প্ৰদানৰ নতুন বাট প্ৰশস্ত কৰিছে।

কাৰ্বি ভাষা-সাহিত্যক বিশ্ব-দৰবাৰত প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত জ্ঞানৰ আলোকেৰে নিজৰ মানুহখিনিৰ মনাকাশ জীপাল কৰি তুলিবলৈ জনগোষ্ঠীটোৰ সাহিত্য ক্ষেত্ৰৰ মুখ্য অনুষ্ঠান হিচাপে কাৰবি লাম্মেত আমেইক নেতৃত্ব লৈ আগুৱাই আহিবলৈও মুখ্যমন্ত্ৰী শৰ্মাই আহ্বান জনায়। তেওঁ কয় যে নিজৰ ভাষা-সাহিত্যৰ উপৰি অসমীয়া ভাষা-সাহিত্য আৰু অন্যান্য সমৃদ্ধিশালী পৰ্যায়ৰ ভাষা-সাহিত্যৰ চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাত কাৰবি লাম্মেত আমেই আত্মনিয়োগ কৰিব লাগিব।

কাৰ্বি ভাষাৰ অস্তিত্ব চিৰকাললৈ ৰক্ষা কৰাৰ স্বাৰ্থত নিজা ভাষাত সাহিত্য সৃষ্টি কৰাৰ সমান্তৰালভাৱে কাৰ্বি ভাষাত গ্ৰন্থ প্ৰকাশ কৰি থকাৰ লগতে অসমীয়া ভাষাতো সাহিত্য সৃষ্টি অব্যাহত ৰাখিবলৈ কাৰ্বি ভাষাৰ নবীন লেখক-লেখিকাসকলৰ প্ৰতি মুখ্যমন্ত্ৰী শৰ্মাই আহ্বান জনায়। কাৰ্বি ভাষা-সাহিত্যৰ উন্নয়ন তথা বিকাশৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা সকলো প্ৰচেষ্টা অব্যাহত ৰাখিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

কাৰবি লাম্মেত আমেইৰ সভাপতি শুকুৰছিং ৰংপিৰ পৌৰোহিত্যত অনুষ্ঠিত আজিৰ মুকলি সভাত অসম বিধান সভাৰ উপাধ্যক্ষ নোমল মমিন, বিজেপি দলৰ ৰাজ্যিক সভাপতি তথা বিধায়ক ভৱেশ কলিতা, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিধায়কসকল ক্ৰমে ৰূপসিং টেৰণ, বিদ্যাছিং ইংলেং আৰু দৰছিং ৰংহাং উপস্থিত থাকে।

**পুঃডেঃ/ ২৪ মাৰ্চ, ২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam /cmofficeassam